# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-12-2024
**Time :** 0755 Hrs

# *Assamese Morning Bulletin*

0000000

ৰাজ্যিক নিৰ্বাচন আয়োগে সমাগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰিছে। ষষ্ঠ অনুসূচীভুক্ত আৰু পৌৰ সভা এলেকাক বাদ দি ৰাজ্যৰ ২৭খন জিলা সামৰি খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। ৰাজ্যিক নিৰ্বাচন আয়োগে প্ৰকাশ কৰা খচৰা ভোটৰ তালিকাত এক কোটি ৭৫ লাখ ৫৪ হাজাৰ ৫৮৯ জন ভোটাৰ অন্তৰ্ভুক্ত হৈছে। ৰাজ্যিক নিৰ্বাচন আয়োগে ৩৯৭ খন জিলা পৰিষদ, ১৮১ খন আঞ্চলিক পঞ্চায়ত, দুহেজাৰ ১৯৩ খন গাঁও পঞ্চায়ত আৰু ২১ হাজাৰ ৩৩০টা ৱাৰ্ড সামৰি এইবাৰৰ পঞ্চায়তৰ ভোটৰ তালিকাৰ খচৰা প্ৰকাশ কৰিছে। এইবাৰ পঞ্চায়ত নিৰ্বাচন দুহেজাৰ ৭৮১ টা ভোটকেন্দ্ৰত অনুষ্ঠিত হ'ব। আয়োগে প্ৰকাশ কৰা খচৰা ভোটাৰ তালিকা সন্দৰ্ভত কোনো ওজৰ-আপত্তি থাকিলে, সেইসমূহ ২১ ডিচেম্বৰৰ ভিতৰত নিষ্পত্তি কৰা হ'ব।

0000000

বিকাশৰ ১২ দিনৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত গোলাঘাট জিলাৰ হিতাধিকাৰীসকলৰ মাজত অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনিৰ তৃতীয় পৰ্যায়ৰ সাহায্য বিতৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। বান সাহায্য বিতৰণ, বীজ সাহায্য বিতৰণ আৰু প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংসাধন উদ্যোগৰ আনুষ্ঠানিকীকৰণ প্ৰক্ৰিয়া মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰিব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী শৰ্মাৰ লগতে কৃষি মন্ত্ৰী অতুল বৰা, বিত্ত মন্ত্ৰী অজন্তা নেওগ আৰু গোলাঘাট জিলাৰ বিধায়কসকল উপস্থিত থাকিব। এই অনুষ্ঠানৰ পাছতে মুখ্যমন্ত্ৰী শৰ্মাই গোলাঘাটত নিৰ্মিয়মান চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল লগতে জিলা আয়ুক্ত কাৰ্যালয়ও পৰিদৰ্শন কৰিব। বিকাশৰ ১২ দিনৰ কাৰ্যসূচীৰ অধীনত গোলাঘাটত অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি ২০২১ৰ অধীনত তৃতীয়বৰ্গৰ ঋণীলৈ দ্বিতীয় পৰ্যায়ত ঋণ মাফ কৰি দিয়া প্ৰমাণপত্ৰ বিতৰণ কৰা হ'ব। এই আঁচনিৰ অধীনত জিলাখনৰ ৫ হাজাৰ ১১৯ গৰাকী ঋণী উপকৃত হ'ব। আনহাতে প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংসাধন উদ্যোগৰ আনুষ্ঠানিকীকৰণ আঁচনিৰ অধীনত ১৮৯ গৰাকী হিতাধিকাৰীয়ে মূলধনী বিনিয়োগৰ ওপৰত ৰাজ সাহায্য লাভ কৰিব। জিলাখনত দুহেজাৰ ৯১ গৰাকী হিতাধিকাৰীক দুৰ্যোগ ক্ষতিগ্ৰস্ত পৰিয়ালৰ আঁচনিৰ অধীনত সাহায্য প্ৰদান কৰা হ'ব।

0000000

ডিব্ৰুগড়ৰ নিৰ্মালী গাঁও ৰাজহুৱা খেলপথাৰত কালিৰেপৰা ষষ্ঠ ডিব্ৰুগড় গ্ৰন্থ মহোৎসৱ অনুষ্ঠিত হৈছে। অসম সাহিত্য সভাৰ সভাপতি ড০ সূৰ্য্য কান্ত হাজৰিকাই কালি বিয়লি এই গ্ৰন্থ মেলা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। শক্তি আৰু দক্ষতা বিকাশ মন্ত্ৰী প্ৰশান্ত ফুকনো উপস্থিত থকা এই উদ্বোধনী অনুষ্ঠানত বিশিষ্ট ভাষাবিদ ড০ভীমকান্ত বৰুৱা, যশস্বী কবি সাহিত্যিক ড০ কৰবী ডেকা হাজৰিকাইও অংশগ্ৰহণ কৰি গ্ৰন্থ আন্দোলনৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে। গ্ৰন্থ মহোৎসৱৰ উপলক্ষে প্ৰকাশিত স্মৃতি গ্ৰন্থ উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ চন্দন শৰ্মাই। এই গ্ৰন্থ মেলাত ৰাজ্যখনৰ লগতে ৰাজ্যৰ বাহিৰৰো প্ৰায় ৯০ প্ৰকাশক আৰু গ্ৰন্থ বিপণীয়ে অংশগ্ৰহণ কৰিছে।

0000000

ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত আজি তিনিচুকীয়াৰ বৰগুৰিস্থিত ল'ৰাৰ আই আই টি খেলপথাৰত মেধা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আনুষ্ঠানিকভাৱে চাইকেল বিতৰণ কৰা হ'ব। অনুষ্ঠানত মুখ্য অতিথি হিচাপে ৰাজ্যৰ শ্ৰম আৰু চাহ শ্ৰমিক কল্যাণ তথা গৃহ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা উপস্থিত থাকিব।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটৰ **দৃষ্টিপাত** অনুষ্ঠানত শ্ৰোতাসকলৰ বাতৰি সম্পৰ্কীয় মতামত, অভিযোগ আৰু পৰামৰ্শ বিষয়ক এটি অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানটিত Whatsapp নম্বৰ ৯৮৬৪০-৫৫৫৬৬ যোগে লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ লগতে অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত দিয়া অভিমত, প্ৰশ্ন আৰু উত্তৰ আদি প্ৰচাৰ কৰা হ'ব।

ooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। সবিশেষ জানিবলৈ আৰু আবেদন পত্ৰ ডাউনলোড কৰিবলৈ প্ৰাৰ্থীয়ে www.newsonair.gov.in ত লগ ইন কৰিব পাৰে। অহা ১০ জানুৱাৰী ২০২৫ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ The Head of Office, Akashvani, Guwahati, Guwahati-781003 লৈ পঠাব লাগিব। প্ৰাৰ্থীয়ে নিজ হাতেও আবেদন পত্ৰ জমা দিব পাৰে।

ooooooo

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশ মৰ্মে ৰাজ্যখনৰ অনান্য জিলাসমূহৰ লগতে মাজুলীতো মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত আজি ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। এই লোক আদালতত বিভিন্ন আপোচযোগ্য ফৌজদাৰী গোচৰ, বিবাহজনিত গোচৰ, চেক বাউঞ্চৰ গোচৰ, যানবাহন ১৯৮৮ আইনৰ অধীনত নিষ্পত্তিৰ দিহা কৰা হৈছে। ইয়াৰোপৰি বিভিন্ন বেংক ঋণ আদায়, বিজুলী বিল আদায়, বি এছ্ এন এলৰ ফোন বিল আদায় আদি সন্দৰ্ভত মোকৰ্দমা গোচৰসমূহৰ মীমাংসাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ooooooo

দ